सत्यमेव जयते

# ভাৰতৰ
# ৭৪ তম্ স্বাধীনতা দিৱস উদ্‌যাপন



অসমৰ মাননীয় মুখ্যমন্ত্ৰী

## শ্ৰীসৰ্বানন্দ সোণোৱালৰ ভাষণ

১৫ আগষ্ট, ২০২০

জজ খেলপথাৰ, গুৱাহাটী

পৰম শ্ৰদ্ধাভাজন ৰাইজ,

ভাৰতবৰ্ষৰ ৭৪ সংখ্যক স্বাধীনতা দিৱসৰ এই পৱিত্ৰ মুহূৰ্তত মই ৰাজ্যবাসীক আন্তৰিক অভিনন্দন জনাইছোঁ। এই শুভ মুহূৰ্তত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ লগতে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত দেশৰ বাবে চৰম ত্যাগ কৰা সকলো স্বাধীনতা সংগ্ৰামী আৰু ৰাজ্যখনৰ শ্বহীদ পিয়লি ফুকন, মণিৰাম দেৱান, কুশল কোঁৱৰ, কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী প্ৰমুখ্যে মুক্তিযোদ্ধাসকলৰ প্ৰতি গভীৰ প্ৰণিপাত জনাইছোঁ।

দেশৰ সীমান্ত সুৰক্ষাত নিয়োজিত হৈ ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব ৰক্ষা কৰা তথা সন্ত্ৰাসবাদৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি আত্মবলিদান দিয়া বীৰ শ্বহীদসকলকো মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

সম্প্ৰতি ৰাজ্যখনে বানপানী আৰু কৰ'না ভাইৰাছৰ সংক্ৰমণৰ উপৰি গৰাখহনীয়া, ধুমুহা, বজ্ৰপাত, ভূমিস্খলন, আফ্ৰিকান ছোৱাইন ফিভাৰ, জাপানীজ এনকেফেলাইটিছ, বাঘজানৰ গেছ কূপৰ অগ্নিকাণ্ডৰ দৰে বহু দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া হৈছে। ক'ভিড-১৯ত আক্ৰান্ত হৈ আৰু অন্যান্য কাৰণত যিসকল লোকে প্ৰাণ হেৰুৱালে তেওঁলোকৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে মই তেওঁলোকৰ পৰিয়ালসমূহৰ প্ৰতিও গভীৰ সমবেদনা জনাইছোঁ। বানপানীত ক্ষয়-ক্ষতিৰ সন্মুখীন হোৱা প্ৰতিগৰাকী নাগৰিকৰ দুখৰো মই সমভাগী হৈছোঁ।

শ্ৰদ্ধেয় ৰাইজ,

নিঃসন্দেহে এই বৰ্ষৰ প্ৰথমাৰ্দ্ধত আৰম্ভ হোৱা কৰ'না ভাইৰাছৰ সংক্ৰমণে আমাৰ সন্মুখত প্ৰৱল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। কিন্তু চিকিৎসক, নাৰ্চ, আশাকৰ্মী, স্বাস্থ্য কৰ্মী, চাফাইকৰ্মী, লেবৰেটৰী টেকনিচিয়ান, এম্বুলেন্সৰ চালককে ধৰি স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰী, গাঁওবুঢ়া, আৰক্ষী, গৃহৰক্ষী, গাঁওৰক্ষী বাহিনী, অগ্নিনিৰ্বাপক বাহিনী, পৰিবহন, খাদ্য আৰু অসামৰিক যোগান, কৃষি, জনস্বাস্থ্য কাৰিকৰী, শক্তি তথা আন চৰকাৰী বিভাগৰ ক'ভিড যোদ্ধাসকলৰ লগতে সাংবাদিক সকলৰ নিস্বাৰ্থ সেৱা আৰু অসমবাসীৰ সক্ৰিয় সহযোগত এই ভাইৰাছৰ বিৰুদ্ধে আমি সফলতাৰে যুঁজ দি যাবলৈ সক্ষম হৈছোঁ।

দৰাচলতে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ আৰম্ভণিৰ সময়ছোৱাত এই ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিবলৈ আন্তঃগাঁথনিৰ দিশৰ পৰা আমাৰ বহু প্ৰত্যাহ্বান আছিল। কিন্তু মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ঘোষণা কৰা লকডাউনে আমাক স্বাস্থ্য আন্তঃগাঁথনি সবল কৰাৰ লগতে স্বাস্থ্যকৰ্মীসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰি এই যুঁজলৈ সাজু কৰি তুলিবলৈ পৰ্যাপ্ত সময় প্ৰদান কৰিলে। ফলস্বৰূপে এই ভাইৰাছৰ বিৰুদ্ধে সাহসেৰে যুঁজি যাবলৈ আমি সক্ষম হৈছোঁ।

শ্ৰদ্ধেয় ৰাইজ,

মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই দ্বিতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰি এবছৰৰ ভিতৰতে বহু যুগান্তকাৰী পদক্ষেপেৰে ভাৰতবাসীৰ স্বাভিমান বিশ্বপটত জিলিকাই তুলিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম বছৰতে মহামান্য উচ্চতম ন্যায়ালয়ে সৰ্বসন্মতিক্ৰমে প্ৰদান কৰা আদেশে ঐতিহ্য বিজড়িত ৰাম মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰত শতিকা জুৰি চলি অহা বিবাদ সৌহাৰ্দ্যমূলকভাৱে নিষ্পত্তি কৰিলে। যোৱা ৫ আগষ্টত সম্পন্ন হোৱা প্ৰস্তাৱিত ৰাম মন্দিৰৰ শিলান্যাসে দেশবাসীৰ দীৰ্ঘদিনীয়া সপোন বাস্তৱায়িত কৰিলে।

মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত সম্প্ৰতি দেশৰ সুৰক্ষা ব্যৱস্থা অভাৱনীয়ভাৱে শক্তিশালী হৈছে। শেহতীয়াকৈ সামৰিক দিশত ভাৰতবৰ্ষই আন এক উল্লেখযোগ্য শক্তি আহৰণ কৰিলে। বহু প্ৰতীক্ষিত ৰাফেল যুদ্ধ বিমান ভাৰতীয় বায়ু সেনাত অন্তৰ্ভুক্ত হ'ল। সম্প্ৰতি মাননীয় মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে ভাৰতবৰ্ষ সম্পূৰ্ণৰূপে প্ৰস্তুত।

আনহাতে শিক্ষা ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত অনুমোদন জনাইছে। শিশুৰ সৰ্বাঙ্গীন বিকাশত সৰ্বাধিক গুৰুত্ব দিয়া এই শিক্ষা নীতিয়ে মাতৃভাষাত শিক্ষা গ্ৰহণৰ সুৱৰ্ণ সুযোগ প্ৰদান কৰিব।

শেহতীয়াকৈ ৰাইজৰ বহুদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ আন্তৰিক ইচ্ছাত অসমত ২৪ ঘণ্টাই প্ৰদৰ্শন হৈ থকাকৈ DD ASSAM নামৰ এটা চেনেল কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী প্ৰকাশ জাভড়েকাৰ দেৱে ৪ আগষ্টত উদ্বোধন কৰিছে।

শ্ৰদ্ধেয় ৰাইজ,

আমাৰ চৰকাৰে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা অসমবাসীৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত কৰিবলৈ নিষ্ঠা আৰু দায়বদ্ধতাৰে দিনে-নিশাই কাম কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ 'সব্‌কা সাথ, সব্‌কা বিকাশ, সব্‌কা বিশ্বাস' নীতিৰে অসমবাসীৰ মতামতক অগ্ৰাধিকাৰ দি ৰাজ্যৰ বৰ্তমানেও আৱিষ্কাৰ নোহোৱা আৰু ব্যৱহাৰ নোহোৱা সম্পদ আৰু সম্ভাৱনা চিনাক্ত কৰি এখন 'আত্মনিৰ্ভৰ অসম' গঢ়িবলৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে।

নিঃসন্দেহে এই সময়ছোৱা আমাৰ বাবে যথেষ্ট প্ৰত্যাহ্বানমূলক। অৱশ্যে এই প্ৰত্যাহ্বানকো সম্ভাৱনালৈ ৰূপান্তৰ কৰিবলৈ আমি নিৰৱচ্ছিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছো। লকডাউনৰ সময়ত সমাজৰ দৰিদ্ৰ লোকসকলক কিছু সকাহ দিয়াৰ লক্ষ্যৰে

'প্ৰধানমন্ত্ৰী জন-ধন যোজনা', 'প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা', 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন' আৰু 'মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনা' আদিৰ জৰিয়তে চাউল-দাইলকে ধৰি আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। বহিঃৰাজ্যত কৰ্মৰত ৰাজ্যৰ শ্ৰমিকসকলৰ উপৰি চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ গৈ লকডাউনত আবদ্ধ হৈ পৰা লোক আৰু বহিঃৰাষ্ট্ৰত আবদ্ধ ৰাজ্যৰ লোকসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

দুৰ্যোগে সুযোগ আনে। বিপদে সম্ভাৱনাৰো সন্ধান দিয়ে। ক'ভিড-১৯ সৃষ্ট এই সংকটকালক আমি নতুন অসম গঢ়াৰ সুযোগ হিচাপে ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰিব লাগিব। এই দৃষ্টিভংগীৰ বাস্তৱিকতা দাঙি ধৰি অসমৰ কৃষকে কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলশ্ৰুতিত ২৪ মাৰ্চত ৰাষ্ট্ৰজুৰি ঘোষণা কৰা লকডাউনৰ প্ৰথম দিনটোৰ পৰা ২৫ জুলাইৰ ভিতৰত শাক-পাচলি আৰু ফল-মূল বিক্ৰী কৰি ৮৫২ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। ৰাজ্যৰ কৃষকৰ কষ্টৰ ফচল এই সামগ্ৰীসমূহ চুবুৰীয়া ৰাজ্য পশ্চিমবংগ আৰু বিহাৰৰ লগতে ডুবাই আৰু আন ৰাষ্ট্ৰলৈ ৰপ্তানি হৈছে। সেইদৰে ৰাজ্যৰ মাংস আৰু কণী ব্যৱসায়ীসকলে ১৫০ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। আনহাতে লকডাউনৰ সময়ছোৱাত ৰাজ্যখনত প্ৰয়োজনীয় মাছৰ চাহিদা থলুৱা মাছেৰে পূৰণ হৈছে। ৰাষ্ট্ৰজুৰি বলৱৎ হোৱা লকডাউনৰ সময়ত ৰাজ্যৰ ১১ হাজাৰ মহিলা আত্মসহায়ক গোটৰ সদস্যই নিজে প্ৰস্তুত কৰা ৫২ লাখৰো অধিক মাস্ক বিক্ৰী কৰি ১১ কোটিৰো অধিক টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ২০ লাখ কোটি টকা ব্যয়ৰে 'আত্মনিৰ্ভৰ ভাৰত অভিযান' আৰম্ভ কৰিছে। আমাৰ চৰকাৰেও মাননীয়

প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই 'আত্মনিৰ্ভৰ অসম' গঢ়িবলৈ পদক্ষেপ লৈছে।

এই খিনিতে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ এটি গীতৰ কলি আওৰাব বিচাৰিছোঁ —

"সুজলা মাটিৰ সৃষ্টিৰ সুৰ
গাঁৱেই দেশৰ গৰ্ব
পীড়িতজনক আঁকোৱালি লৈ
গাঁৱতে পাতিম স্বৰ্গ"

ভূপেনদাই কৈ যোৱাৰ দৰে আমিও কৃষিভিত্তিক অৰ্থনীতিক নতুন গতি দি গ্ৰামাঞ্চলৰ বিকাশ সাধনেৰে আত্মনিৰ্ভৰ অসম গঢ়িবলৈ পদক্ষেপ লৈছো। ইতিমধ্যে সংহত কৃষি পদ্ধতিৰে ৰাজ্যৰ কৃষিখণ্ডত পৰিৱৰ্তনৰ জোৱাৰ কঢ়িয়াই অনা শোণিতপুৰ জিলাৰ ভৰলীপৰীয়া কন্যকা বহুমুখী পাম, বিশ্বনাথ জিলাৰ পাভৈ গ্ৰীনচ্, মৰিগাঁও জিলাৰ সীতাজখলা দুগ্ধপাম, বৰপেটা জিলাৰ বজালী দুগ্ধ পাৰ্লাৰ, নলবাৰী জিলাৰ জ্যোতি ফাৰ্মাৰ্চ ক্লাব আৰু শংকৰদেৱ জৈৱিক কৃষি ফাৰ্মকে ধৰি বহু পাম তথা কৃষি কৰ্মস্থলী পৰিদৰ্শন কৰি ৰাজ্যৰ কৃষিখণ্ডৰ সম্ভাৱনীয়তাৰ মই প্ৰত্যক্ষভাৱে বুজ লৈছোঁ। সম্প্ৰতি ৰাজ্যৰ কৃষকৰ শক্তি-সামৰ্থ্যৰ নিদৰ্শন দাঙি ধৰি অসমৰ কৃষিজাত সামগ্ৰী ডুবাই, লণ্ডন, আবু ধাবি, হংকঙকে ধৰি বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰলৈ ৰপ্তানি হৈছে।

ৰাজ্যৰ কৃষিভিত্তিক অৰ্থনীতিক নতুন গতি দিয়াৰ লক্ষ্যৰে স্বাধীনতা দিৱসৰ এই পৱিত্ৰ দিনটোত মই কেইটামান বিশেষ ঘোষণা কৰিবলৈ আগবাঢ়িছো।

(১) আহু, শালি, বাও, বড়ো আদিকে ধৰি আমাৰ ৰাজ্যত বিভিন্ন প্ৰজাতিৰ ধান উৎপাদন হয়। ৰাজ্যত উৎপাদিত হোৱা এই ধানসমূহৰ এখন বৃহৎ বজাৰ

আছে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি বিজ্ঞানসন্মত পদ্ধতিৰে ধানৰ উৎপাদন বৃদ্ধি কৰিবলৈ আমাৰ চৰকাৰে প্ৰায়োগিক পৰিযোজনা হিচাপে ধেমাজি আৰু বাক্সা জিলাত 'ৰাইচ ক্লাষ্টাৰ' স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে।

(২) ৰাজ্যৰ অধিক সংখ্যক কৃষকে যাতে উৎপাদিত ধানৰ বিপৰীতে চৰকাৰৰ ন্যূনতম সমৰ্থন মূল্য লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে জিলাসমূহত ধান ক্ৰয়ৰ বাবে কেন্দ্ৰ মুকলি কৰি ধান ক্ৰয় কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব।

(৩) পথাৰৰ ধান কৃষকৰ পৰা গ্ৰাহকৰ কাষলৈ লৈ যোৱাত সহায়ক হোৱাকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম চৰকাৰে ২২০ টা ধান বনা কল স্থাপন কৰিবলৈ সাহায্য আগবঢ়াব। এই কলসমূহ স্থাপনৰ বাবে ইচ্ছুক উদ্যোগী, সমবায় আৰু আত্মসহায়ক গোটক ৩০ শতাংশ ৰাজ-সাহায্য আগবঢ়োৱা হ'ব।

(৪) পথাৰ আৰু বজাৰৰ মাজত যোগাযোগ অধিক সুচল কৰিবলৈ ৰাজ্যৰ থলুৱা যুৱক আৰু আত্মসহায়ক গোটক ৰাজ-সাহায্যযুক্ত ১০০০ খন 'মিনি ট্ৰাক' প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

(৫) ২০১৪ চনত প্ৰথমবাৰৰ বাবে দেশৰ শাসনভাৰ গ্ৰহণ কৰি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অসম তথা উত্তৰ-পূবক জৈৱিক হাব্ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭৫ হাজাৰ বিঘা কৃষিভূমি চিনাক্ত কৰিছে। স্বাধীনতা দিৱসৰ এই পৱিত্ৰ মুহূৰ্তত মই ঘোষণা কৰিব বিচাৰো যে ৰাজ্য চৰকাৰে বিশ্বনাথ জিলাত এটা Centre of Excellence for Organic Agriculture স্থাপন কৰিব।

(৬) আমাৰ চৰকাৰে ৰাজ্যত এখন দুগ্ধ ফেডাৰেশ্যন গঢ়াৰ উদ্দেশ্যে জিলা দুগ্ধ সমবায়সমূহক শক্তিশালী ৰূপত গঢ় দিবলৈ পদক্ষেপ হাতত লৈছে। অনাগত

দিনত অসম চৰকাৰে ৰাজ্যৰ সকলো জিলাত ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰে একোটাকৈ দুগ্ধ সংসাধন উদ্যোগ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত প্ৰায়োগিক পৰিযোজনা হিচাপে মৰিগাঁও, শোণিতপুৰ আৰু বজালী জিলাত এই দুগ্ধ সংসাধন উদ্যোগ স্থাপন কৰা হ'ব।

(৭) ৰাজ্যত শীতলীকৰণ ভঁৰালৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ সম্ভৱ কৰি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে শীতলীকৰণ ভঁৰাল স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে।

(৮) আমাৰ ৰাজ্যত মাকৈৰ এখন বৃহৎ বজাৰ আছে। ৰাজ্যত মাকৈৰ খেতি অধিক জনপ্ৰিয় কৰিবলৈ অসম চৰকাৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত শীঘ্ৰে এক নতুন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছে।

(৯) তদুপৰি ৰাজ্য চৰকাৰে ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰে প্ৰতিখন জিলাত পশুখাদ্য মিল স্থাপনৰো সিদ্ধান্ত গ্ৰহণ কৰিছে।

(১০) আমাৰ ৰাজ্যত প্ৰাকৃতিকভাৱে তথা অতি কম আয়াসতে হালধি, আদা, জলকীয়া, জাঁইফল, জালুক আৰু লং-ইলাচীকে ধৰি অন্যান্য মা-মছলা আদি উৎপাদন হয়। কম পৰিমাণৰ বিনিয়োগেৰে কম পৰিসৰত এই খেতি কৰি আৰ্থিকভাৱে যথেষ্ট লাভৱান হ'ব পাৰি। সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে হালধি আৰু আদাকে ধৰি আন মা-মছলাৰ কৃষি অধিক জনপ্ৰিয় কৰি তুলিবলৈ এক নতুন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত লৈছে।

(১১) মৎস্য খণ্ডত ৰাজ্যখনক স্বাৱলম্বী কৰি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে। ৰাজ্যৰ সকলোবোৰ বিল-জলাশয় চিনাক্তকৰণ আৰু জৰীপ কৰি থলুৱা আত্মসহায়ক গোটক মৎস্য পালনৰ উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ দিবলৈ আমি সিদ্ধান্ত গ্ৰহণ কৰিছো।

কৃষি ভূমিৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে জলসিঞ্চন খণ্ডৰ আঁচনিসমূহৰ উপযুক্ত ৰূপায়ণতো বিশেষ গুৰুত্ব আৰোপ কৰিছে। 'প্ৰধানমন্ত্ৰী কৃষি সিঁচাই আঁচনি'ৰ অধীনত অসম চৰকাৰে ৰাজ্যত সৌৰশক্তি আৰু বিদ্যুৎ শক্তি চালিত ২০ হাজাৰৰো অধিক ৩ অশ্বশক্তিসম্পন্ন দমকল বহুৱাবলৈ পদক্ষেপ লৈছে। ইতিমধ্যে ৯৬৯৭ টা দমকল বহুওৱাৰ কাম সম্পূৰ্ণ হৈছে। এই পদক্ষেপৰ ফলস্বৰূপে ৰাজ্যৰ অতিৰিক্ত ৬ লাখ বিঘা কৃষি ভূমিত জলসিঞ্চনৰ সুবিধা উপলব্ধ হ'ব।

শ্ৰদ্ধেয় ৰাইজ,

আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত বাঁহ আৰু বেতৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে বাঁহক কৃষিজাত সামগ্ৰী হিচাপে শ্ৰেণীভুক্ত কৰাৰ ফলত বাঁহৰ ব্যৱহাৰ এতিয়া সুচল হৈ পৰিছে। ইতিমধ্যে ৰাজ্য চৰকাৰে 'আসাম বেম্ব' এণ্ড কেন পলিচি' প্ৰণয়ন কৰিছে। সেইদৰে, আগৰৰ চাহিদা আৰু ব্যৱসায়িক লাভালাভৰ প্ৰতি লক্ষ্য ৰাখি সাঁচি গছক কৃষিজাত সম্পদৰূপে শ্ৰেণীভুক্ত কৰাৰ উপৰি গোলাঘাট জিলাত আগৰৰ এটা 'আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক কেন্দ্ৰ' মুকলি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

আনহাতে অসমত থলুৱা উদ্যোগী অনুকূল ব্যৱসায়িক পৰিৱেশ গঢ়িবলৈ ৰাজ্য চৰকাৰে 'স্বয়ম' আৰু 'শ্বহীদ দয়াল দাস পানিকা স্ব-নিয়োজন আঁচনি'ৰ দৰে পদক্ষেপ গ্ৰহণ কৰিছে। সৰ্থেবাৰীৰ "বেল মেটেল আৰ্টিচেন এণ্ড ট্ৰেৰ্ডিং কো-অ'পাৰেটিভ চ'ছাইটি"ক ১ কোটি টকাৰ এককালীন আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে।

সেইদৰে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে এলানি ব্যৱস্থা গ্ৰহণ কৰিছে। 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ অধীনত ৰাজ্যৰ এনেধৰণৰ উদ্যোগসমূহক বৰ্তমানলৈ ১৫০০ কোটি টকাৰ ঋণ আগবঢ়োৱা হৈছে।

ৰাজ্যৰ আত্মসহায়ক গোটসমূহ সৱলীকৰণৰ বাবে 'ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান' আৰু 'কনকলতা মহিলা সৱলীকৰণ আঁচনি'ৰ অধীনত ৮২৬ কোটিৰো অধিক টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে কৃষিখণ্ডৰ লগতে ঔদ্যোগীকৰণতো আমি সমানে প্ৰাধান্য দিছোঁ। ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ পৃষ্ঠপোষকতাত আৰু আই আই এম কলকাতা ইন'ভেশ্যন পাৰ্কৰ সহযোগত ২০১৯ চনৰ ২০ জানুৱাৰীত প্ৰতিষ্ঠা হোৱা 'অসম ষ্টাৰ্টআপ - দ্যা নেষ্ট'ৰ উদ্যোগত বৰ্তমানলৈ ডেৰ হাজাৰৰো অধিক প্ৰত্যক্ষ আৰু ৪০ হাজাৰৰো অধিক পৰোক্ষ নিয়োগ সৃষ্টি কৰি ৭৫ টাকৈ ষ্টাৰ্টআপ উদ্যোগ গঢ় লৈ উঠিছে।

শ্ৰদ্ধেয় ৰাইজ,

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কৈছিল, 'জাতি মোৰ তেজ, জাতি মোৰ মঙহ, জাতি মোৰ অস্থি, জাতি মোৰ মজ্জা'। অম্বিকাগিৰীৰ এই মহান বাণী হৃদয়ংগম কৰি ৰাজ্য চৰকাৰেও বিগত চাৰি বছৰে অসম আৰু অসমবাসীৰ স্বাৰ্থৰ হকে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিছে।

আমি কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বিগত সাত দশকে ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত ৰাজ্যৰ থলুৱা জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছিলো। ইতিমধ্যে ৰাজ্য চৰকাৰে থলুৱাৰ স্বাৰ্থৰ অনুকূলে এখন নতুন ভূমি নীতি প্ৰস্তুত কৰিছে। তদুপৰি ৰাজ্যৰ ১ লাখ ভূমিহীন থলুৱা পৰিয়ালক মাটিৰ পট্টা প্ৰদানৰ লক্ষ্যৰে পদক্ষেপ গ্ৰহণ কৰি ৪৫,২৬১ টা থলুৱা ভূমিহীন পৰিয়ালক মাটিৰ পট্টা আৰু অনুমোদন পত্ৰ প্ৰদান কৰা হৈছে।

সেইদৰে বিগত দশকসমূহত জৰীপ নোহোৱাকৈ থকা ৰাজ্যৰ গাঁওসমূহৰ বিজ্ঞানসন্মতভাৱে জৰীপৰ প্ৰক্ৰিয়া আৰম্ভ কৰি ইতিমধ্যে ২৬৮ খন গাঁৱৰ জৰীপ

সম্পূৰ্ণ কৰা হৈছে। 'অসম দৰ্শন' আঁচনিৰ অধীনত ২০১৯-২০ বৰ্ষত ৰাজ্যৰ ১৩৭ খন সত্ৰ-দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানক বৰ্দ্ধিত হাৰত বাৰ্ষিক অনুদান প্ৰদানৰ বাবে ৩৬০ লাখ টকাৰ মঞ্জুৰি দিয়া হৈছে। চৰকাৰী ভূমিকে ধৰি ভি জি আৰ-পি জি আৰ ভূমি অবৈধ বেদখলমুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

অসমীয়া ভাষা চিৰকালৰ বাবে যাতে সগৌৰৱে সুৰদিসুৰীয়াকৈ জীয়াই থাকে তাৰ বাবে বৰাক উপত্যকা, বিটিএডি আৰু পাৰ্বত্য জিলাকেইখনক বাদ দি ৰাজ্যৰ সকলো ইংৰাজী তথা আন মাধ্যমৰ শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ পাঠদান বাধ্যতামূলক কৰিবলৈ নতুন আইন প্ৰণয়ন কৰা হৈছে।

সেইদৰে, বিটিএডি আৰু ৰাভা হাছং এলেকা বাদ দি পূৰ্বৰ গোৱালপাৰা জিলাত বসবাস কৰা কোঁচ-ৰাজবংশী লোকসকলৰ বাবে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। একেদৰে মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবেও দুখন সুকীয়া স্বায়ত্ত শাসিত পৰিষদ গঠনৰ কথা ঘোষণা কৰি ইয়াৰ কাৰ্যকৰীকৰণৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদুপৰি টাই আহোম, মৰাণ, মটক আৰু চুতীয়া জনগোষ্ঠীৰ সৰ্বাঙ্গীন বিকাশৰ বাবে এককালীন পুঁজি আৱণ্টন দিয়া হৈছে।

ৰাজ্যবাসী জ্ঞাত যে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে ইতিপূৰ্বে ৰাজ্যত থকা জনজাতিসমূহৰ স্বাৰ্থ আৰু অধিকাৰ বিঘ্নিত নোহোৱাকৈ ৰাজ্যৰ ৬ জনগোষ্ঠী ক্ৰমে মৰাণ, মটক, কোঁচ ৰাজবংশী, টাই আহোম, চুতীয়া আৰু আদিবাসী চাহ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। এই সংক্ৰান্তীয় এখন বিধেয়ক কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজ্যসভাত উত্থাপন কৰিছে। জনজাতিকৰণৰ মডেলিটি প্ৰস্তুত কৰাত সহায়ক হোৱাকৈ প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ ৰাজ্য চৰকাৰে গঠন কৰা মন্ত্ৰীগোটে বিভিন্ন জনগোষ্ঠীৰ সৈতে আলোচনাত মিলিত হৈছে। শেহতীয়াকৈ কৰ'না ভাইৰাছ

সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া কিছু স্তিমিত হৈছে। অৱশ্যে মন্ত্ৰী গোটৰ পৰা প্ৰতিবেদন লাভ কৰাৰ পিছতে ৰাজ্য চৰকাৰে প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব।

স্বাধীনতা দিৱসৰ এই পৱিত্ৰ মূহূৰ্তত মই বিদেশী বিতাড়ন আন্দোলনৰ বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি জনাই অসমবাসীক আশ্বস্ত কৰিব বিচাৰো যে অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে ৰূপায়ণৰ বাবে অসম চৰকাৰ সম্পূৰ্ণৰূপে দায়বদ্ধ। সেয়েহে অসম চুক্তি ৰূপায়ণেৰে এখন বিদেশীমুক্ত অসম গঢ়ি তোলাৰ বাবে আমি আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছো। বিগত ৩৫ বছৰে কোনো এখন চৰকাৰে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ দিশত আগ্ৰহ প্ৰকাশ কৰা নাছিল। কিন্তু আমাৰ চৰকাৰৰ অনুৰোধ মৰ্মে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ তৎপৰতাত কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এই চুক্তিৰ অন্যতম ৬ নং দফা ৰূপায়ণৰ বাবে এখন সমিতি গঠন কৰি দিয়ে। এই পদক্ষেপে অসম চুক্তি ৰূপায়ণৰ দিশত থকা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সদিচ্ছাৰ কথাই প্ৰতিফলিত কৰে। এই সমিতিখনে চলিত বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত প্ৰতিবেদন দাখিল কৰিছিল যদিও সেই সময়ৰ পৰা বৰ্তমানলৈকে কৰ'না মহামাৰীয়ে সমগ্ৰ বিশ্বতে ইয়াৰ সংক্ৰমণ অব্যাহত ৰাখি জনজীৱন স্থবিৰ কৰি তুলিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে সমগ্ৰ দেশৰ লগতে অসমতো মাৰ্চ মাহৰ শেষৰ ফালে লকডাউন আৰম্ভ হয়। বৰ্তমানেও কৰ'না মহামাৰীৰ প্ৰকোপ হ্ৰাস পোৱা নাই। অৱশ্যে ৰাজ্য চৰকাৰে সকলো প্ৰত্যাহ্বান গ্ৰহণ কৰিও অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছে। ভাৰত চৰকাৰেও সমান্তৰালভাৱে এই ক্ষেত্ৰত পদক্ষেপ লৈ আছে। মই অসমবাসীক দ্বিধাহীনভাৱে জনাব বিচাৰো যে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ কৰা নহ'ব।

শ্ৰদ্ধেয় ৰাইজ,

আমি গভীৰভাৱে বিশ্বাস কৰো যে অসমলৈ বিদেশীৰ প্ৰব্ৰজন ৰোধ কৰিবলৈ হ'লে সবাতোকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰা। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি ২০১৪ চনত চৰকাৰ গঠন কৰিয়েই মাননীয় মোদী ডাঙৰীয়াই বাংলাদেশ চৰকাৰৰ সৈতে ভূমি হস্তান্তৰ চুক্তি চূড়ান্ত কৰিছিল। ইয়াৰ ফলত বিবদমান হৈ থকা লাতি টিলাত স্মাৰ্ট ফেন্সিং নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। সেইদৰে টুকুৰগ্ৰামত উন্মুক্ত হৈ থকা সীমাত Composite Fencing নিৰ্মাণৰ কামো সম্পূৰ্ণ হৈছে। কেন্দ্ৰীয় চৰকাৰে সীমান্তৰ নদী অঞ্চল ছীল কৰিবৰ বাবে স্মাৰ্ট টেকন'লজি ৰূপায়ণ কৰিছে। মাননীয় মোদী ডাঙৰীয়াৰ প্ৰত্যক্ষ হস্তক্ষেপতে সীমান্তৰ নদীপথেদি অবৈধ অনুপ্ৰৱেশ ৰোধৰ বাবে ধুবুৰী চেক্টৰত BOLD-QIT নামৰ কাৰিকৰী প্ৰকল্পৰ সফল ৰূপায়ণ সম্ভৱ হৈছে। ইয়াৰ ফলত ৪৮ কিঃমিঃ দৈৰ্ঘ্যৰ নদী সীমা আজি সুৰক্ষিত হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

আমি ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰাৰ সময়ত অসমখন দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণমুক্ত ৰাজ্যৰূপে গঢ়ি তোলাৰ সংকল্পৰ কথা ব্যক্ত কৰিছিলোঁ।

আমাৰ দুৰ্নীতি বিৰোধী পদক্ষেপে জনসাধাৰণ আৰু প্ৰশাসনৰ মাজত আস্থা আৰু বিশ্বাসৰ সাঁকো অধিক শক্তিশালী কৰিছে। ৰাজ্য চৰকাৰে সম্পূৰ্ণ স্বচ্ছ আৰু মেধাৰ ভিত্তিত ২০১৬-১৭ বৰ্ষৰ পৰা ৩৮ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰিত স্থায়ী নিযুক্তি প্ৰদান কৰিছে। তদুপৰি সৰ্বশিক্ষা অভিযানৰ অধীনত কৰ্মৰত টেট্ শিক্ষক, ৰাজ্যিক পুলৰ শিক্ষক আৰু হাইস্কুলৰ ঠিকাভিত্তিত নিযুক্ত শিক্ষককে ধৰি সৰ্বমুঠ প্ৰায় ৪৬ হাজাৰ শিক্ষকৰ চাকৰিৰ কাৰ্যকাল ৬০ বছৰলৈ বৃদ্ধি কৰা হৈছে।

এইখিনিতে ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকললৈ আশাৰ সঞ্চাৰ কৰি মই ঘোষণা কৰিব বিচাৰো যে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰিত নিয়োগৰ ক্ষেত্ৰত বয়সৰ উচ্চ সীমা পূৰ্বৰ ৩৮ বছৰৰ পৰা ৪০ বছৰলৈ বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্তগ্ৰহণ কৰিছে।

মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়া আৰু মাননীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা শূন্য সহনশীল নীতি আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত বিকাশৰ ফলত আজি ৰাজ্যত শান্তি আৰু আইন-শৃংখলা সুদৃঢ় হৈছে। চলিত বৰ্ষৰ ২৭ জানুৱাৰীত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু বড়ো সংগঠনৰ মাজত স্বাক্ষৰিত তৃতীয় বড়ো শান্তি চুক্তিয়ে ৰাজ্যলৈ নতুন আশাৰ বতৰা কঢ়িয়াই আনিছে।

বিগত বছৰবোৰত নাৰীৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত শূন্য সহনশীল নীতি অৱলম্বন কৰি অসম আৰক্ষীয়ে অতি তৎপৰতাৰে দোষীক কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে। আৰক্ষী বিভাগক অধিক শক্তিশালী কৰিবলৈ 'মৈত্ৰী আঁচনি'ৰ অধীনত ৰাজ্যৰ থানাসমূহৰ পুনৰনিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যৰ বনাঞ্চল বৃদ্ধি কৰি প্ৰদূষণমুক্ত অসম গঢ়াৰ আমি যি লক্ষ্য নিৰ্ধাৰণ কৰিছিলো সেই দিশত বিগত বছৰ সমূহত যথেষ্ট অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছো। শেহতীয়াকৈ ফৰেষ্ট চাৰ্ভে অৱ ইণ্ডিয়াই প্ৰকাশ কৰা প্ৰতিবেদন মতে ৰাজ্যৰ বনাঞ্চলৰ পৰিমাণ ২২১ বৰ্গ কিঃমিঃ বৃদ্ধি হৈছে। কাজিৰঙাকে ধৰি ৰাজ্যৰ অভয়াৰণ্য আৰু বনাঞ্চলসমূহত অভিযান চলাই আমি বিগত সময়ছোৱাত ২৪০ জন চোৰাং চিকাৰী কৰায়ত্ত কৰিবলৈ সক্ষম হৈছো। বন সুৰক্ষা বাহিনীৰ আধুনিকীকৰণকে ধৰি বন্যপ্ৰাণী সুৰক্ষাৰ বাবে গ্ৰহণ কৰা একাধিক পদক্ষেপৰ ফলত বিগত চাৰি বছৰত ৰাজ্যত গঁড় হত্যা উল্লেখনীয়ভাৱে হ্ৰাস পাইছে।

সেইদৰে কাজিৰঙাৰ বেদখলকাৰীৰ বিৰুদ্ধে অভিযান চলাই বিগত বছৰবোৰত প্ৰায় ৩৭৬৫ বিঘা ভূমি বেদখলমুক্ত কৰা হৈছে। বেদখলমুক্ত কৰা বান্দৰডুবি, দেওচৰ আৰু পালখোৱাৰ ভূ-খণ্ড ইতিমধ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক অৰ্পণ কৰা হৈছে। এই ভূ-খণ্ডক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সপ্তম আৰু অষ্টম সংযোজনৰূপে অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ১৮ হাজাৰ বিঘা ভূমি সামৰি উদ্যানখনৰ নৱম সংযোজনৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যখনৰ দীৰ্ঘদিনীয়া সমস্যা বান-গৰাখহনীয়াৰ বিজ্ঞানসন্মত অধ্যয়নেৰে স্থায়ী সমাধানৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই পদক্ষেপ লৈছে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় কমিটীয়ে 'নৰ্থ ইষ্ট ৱাটাৰ মেনেজমেণ্ট অথৰিটি' গঠনৰ বাবে পৰামৰ্শ আগবঢ়াইছে। এই কৰ্তৃপক্ষক কাৰ্যত ৰূপদান কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

সেইদৰে আমাৰ প্ৰচেষ্টাৰ ফলস্বৰূপে পঞ্চদশ বিত্তীয় আয়োগে গৰাখহনীয়াক প্ৰাকৃতিক দুৰ্যোগ হিচাপে মান্যতা প্ৰদান কৰি গৰাখহনীয়া প্ৰতিৰোধ তথা পুনৰ সংস্থাপনৰ বাবে লোৱা পদক্ষেপসমূহ ৰূপায়ণৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুজিৰ অধীনত পুঁজি আৱণ্টন দিবলৈ কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ আগবঢ়াইছে। এইখিনিতে মই জনাব বিচাৰো যে ৰাজ্য চৰকাৰে গৰাখহনীয়াত মাটি-ভেটি উছন হোৱা থলুৱা পৰিয়ালসমূহক ভূমি ক্ৰয় কৰি গৃহ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

শ্ৰদ্ধেয় ৰাইজ,

শেহতীয়াকৈ ৰাজ্য চৰকাৰে ১৯৭ খন হাইস্কুল, ৯ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ১৪৯ খন কনিষ্ঠ মহাবিদ্যালয় আৰু ২৭ খন মহাবিদ্যালয় তথা ৪০৯০ টা শিক্ষকৰ পদ প্ৰাদেশিকীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।

সেইদৰে, স্বাস্থ্য সেৱা ব্যয়সাধ্য আৰু সহজলভ্য কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ জৰিয়তে ৰাজ্যৰ লক্ষ লক্ষ লোক উপকৃত হৈছে। আনহাতে গুৱাহাটীৰ চাংসাৰিত এইমছৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে আৰম্ভ হৈছে।

মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ২০২৪ চনৰ ভিতৰত গ্ৰামাঞ্চলৰ প্ৰতিটো বাসগৃহত নলযোগে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ লক্ষ্যৰে 'জলজীৱন অভিযান' আৰম্ভ কৰিছে। আমাৰ ৰাজ্যত এই অভিযানৰ অধীনত চলিত বৰ্ষত ১৩ লাখ ১৫ হাজাৰ বাসগৃহত নল সংযোগ প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ৰাজ্যখনৰ বাৰেৰহণীয়া কলা-সংস্কৃতি অধিক উজলাই তোলাৰ বাবে আমি নিষ্ঠাৰে পদক্ষেপ লৈছো।

সেইদৰে ৰাজ্য চৰকাৰে সমাজৰ বিবেকস্বৰূপ সাংবাদিকসকলৰ কল্যাণৰ বাবে পেন্সন, মিডিয়া ফেল'শ্বিপ, চিকিৎসাৰ বাবে আৰ্থিক সাহায্য, মফচলীয় সাংবাদিকৰ বাবে বহিঃৰাজ্য ভ্ৰমণকে ধৰি বহু আঁচনি ৰূপায়ণ কৰিছে।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যখনৰ আৰ্থিকভাৱে দুৰ্বল লোকসকলক বিশেষ সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে অহা ২ অক্টোবৰৰ পৰা 'অৰুণোদয় আঁচনি' ৰূপায়ণ কৰিবলৈ আগবাঢ়িছে। এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১৭ লাখ দৰিদ্ৰ পৰিয়ালক প্ৰতি মাহে ৮৩০ টকাকৈ আগবঢ়োৱা হ'ব।

শ্ৰদ্ধেয় ৰাইজ,

ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ আৰু পাহাৰ-ভৈয়ামত বসবাস কৰা অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী, সংখ্যালঘু শ্ৰেণী, চাহ জনগোষ্ঠীৰ লোকৰ লগতে বিটিএডি; তিনিখন পাৰ্বত্য জিলা আৰু বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰ্বাঙ্গীন বিকাশৰ বাবে ৰাজ্য চৰকাৰে নিৰৱচ্ছিন্নভাৱেপদক্ষেপ গ্ৰহণ

কৰি বহু দূৰ সফলতাৰে আগুৱাই গৈছে। অনাগত দিনবোৰতো ৰাজ্যবাসীৰ পৰামৰ্শ, আশীৰ্বাদ আৰু সহযোগিতাই প্ৰগতিৰ এই যাত্ৰাত অধিক দৃঢ়তাৰে আগুৱাই যাবলৈ আমাক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিব বুলি মই আশা কৰিলোঁ।

শেষত, লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ কবিতাৰ এটি পংক্তিৰে ভাষণৰ সামৰণি মাৰিব বিচাৰিছো—

বাজক দবা, বাজক শংখ
বাজক মৃদং খোল,
অসম আকৌ উন্নতি-পথত
'জয় আই অসম' বোল।

জয় আই অসম।।

জয় হিন্দ।।

---

২০২০

অসম চৰকাৰী ছপাশাল
গুৱাহাটী-২১